# ক্ষুদ্ৰ বিত্তায়ন পালছ্ প্ৰতিবেদন

খণ্ড XVII – ছেপ্টেম্বৰ, 2023



EQUIFAX® | powering the world with knowledge™

# বিশ্লেষণাত্মক যোগাযোগসমূহ

## Equifax

কিৰণ সমুদ্ৰলা
মুৰব্বী – তথ্য বিশ্লেষণ
kiran.samudrala@equifax.com

শ্রুতি যোশী
মুৰব্বী – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
shruti.joshi@equifax.com

বন্দনা পাঞ্চাল
সহযোগী প্ৰবন্ধক – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
vandana.panchal@equifax.com

ৰীমা পাছৱান
তথ্য বিজ্ঞানী – পৰ্যবেক্ষণ আৰু বিশ্লেষণ
reema.paswan@equifax.com

## SIDBI

**সঞ্জয় জৈন**
চি.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

চান্দ কুৰীল
জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

জিনছুৱাংমুং হাংজো
এ.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

সোহম নাগ
এ.জি.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

**দিৱিক ছাহনি**
মেনেজাৰ- ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

বন্দিতা শ্ৰীবাস্তৱ
এ.এম.-ই.আৰ.ডি.এ.ভি.
erdav@sidbi.in

# সূচীপত্ৰ


কাৰ্যকৰী সাৰাংশ 04
সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা 05
ক্ষুদ্ৰ বিত্তীয় উদ্যোগ অৱলোকন 06
বিতৰণৰ প্ৰৱণতা 09
উদ্যোগ বিপদাশংকা ৰূপৰেখা (প্ৰ’ফাইল) 12
অভিলাষী জিলাসমূহ 14
মাণ্ডলিক প্ৰৱণতা 16

# কাৰ্যকৰী সাৰাংশ

এম.এফ.আই. পালছ্ প্ৰতিবেদনৰ 17দশ সংস্কৰণলৈ স্বাগতম। এইখন 2023 চনৰ 31 মাৰ্চ পৰ্যন্ত ব্যুৰোত দাখিল কৰা তথ্যৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

2023 চনৰ 31 মাৰ্চ পৰ্যন্ত ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ বকেয়া পৰ্টফলিঅ’ হৈছে `319,080 কোটি টকা। 2022 চনৰ মাৰ্চৰ তুলনাত 2023 চনৰ মাৰ্চত ক্ষুদ্ৰ বিত্তীয় উদ্যোগ ক্ষেত্ৰত 22% বৃদ্ধি দেখা পোৱা যায়। বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত এন.বি.এফ.চি.-এম.ফ.আই.সমূহৰ অৰিহণা সৰ্বাধিক। 2022 চনৰ মাৰ্চৰ তুলনাত 2023 চনৰ মাৰ্চত পৰিশোধৰ নিৰ্ধাৰিত তাৰিখৰ পৰা 1-179 দিনৰ বিলম্ব 481 বিপিএছ হ্ৰাসপাইছে।

জে.এফ.এম. ’22 ৰ তুলনাত জে.এফ.এম.’23 ত ধনৰাশিৰ ভিত্তিত ঋণ প্ৰদান 16% বৃদ্ধি হৈছে, আনহাতে জে.এফ.এম. ’22 ৰ তুলনাত জে.এফ.এম.’23 ত ঋণ প্ৰদানৰ সংখ্যা 6% বৃদ্ধি হৈছিল। 40k-50k টিকেট আকাৰ শ্ৰেণীৰ অধীনত সৰ্বাধিক সংখ্যক ঋণ প্ৰদান কৰা হয় আৰু এই শ্ৰেণীটোৰ ক্ষেত্ৰত 67% ৰ সৰ্বাধিক বাৰ্ষিক বৃদ্ধি দেখা গৈছিল।

2023 চনৰ 31 মাৰ্চ সাপেক্ষে, অভিলাষী জিলাসমূহে মুঠ বকেয়া পৰ্টফলিঅ’ৰ ক্ষেত্ৰত 14% অৰিহণা আগবঢ়ায়। বিত্তীয় বৰ্ষ 2021-22 ৰ পৰা বিত্তীয় বৰ্ষ 2022-23 লৈ প্ৰদান কৰা ধনৰাশিৰ ক্ষেত্ৰত অভিলাষী জিলাসমূহৰ 31% বৃদ্ধি হৈছে।

এই সংস্কৰণটোত মাগুলিক প্ৰৱণতাসমূহ সামৰি লোৱা হৈছে। জে.এফ.এম.’23 ত ঋণ প্ৰদানৰ ক্ষেত্ৰত পূব মণ্ডল আগবাঢ়ি আছে। জে.এফ.এম. ’22 ৰ পৰা জে.এফ.এম.’23 লৈ দক্ষিণ মণ্ডলত ধনাত্মক বৃদ্ধি হৈছে। সকলো মণ্ডলৰ ক্ষেত্ৰত এন.বি.এফ.চি.-এম.এফ.আই.য়ে ঋণ প্ৰদানৰ ক্ষেত্ৰত ধনাত্মক বৃদ্ধি দেখুৱাইছে।

**টোকা** : এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে। গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে থকা একাধিক সম্পৰ্ক।

# সংক্ষিপ্ত ৰূপ আৰু পৰিভাষা

- এ.টি.এছ. (এভাৰেজ টিকেট ছাইজ) = প্ৰদান কৰা ধনৰাশি / ঋণৰ সংখ্যা
- ডি.পি.ডি. = ডে'জ পাষ্ট ডিউ (পৰিশোধৰ তাৰিখ উকলি যোৱা)
- সক্ৰিয় পি.অ'.এছ.বা ঋণগ্ৰাহী বা সক্ৰিয় ঋণ = 0 ৰ পৰা 179 ডি.পি.ডি. + নতুন একাউন্ট + চলিত একাউন্ট
- এম.এফ.আই. = ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠান
- পি.অ'.এছ.= বকেয়া প্ৰটফলিঅ'
- ইউ.টি. = কেন্দ্ৰীয় শাসিত অঞ্চল
- অভিলাষী জিলাসমূহ (এ.ডি.) – স্বাস্থ্য আৰু পুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, বিত্তীয় অন্তৰ্ভুক্তি, দক্ষতা বিকাশ আৰু মৌলিক আন্তঃগাঁথনিৰ দৰে সংমিশ্ৰিত সূচকৰ ওপৰত ভিত্তি কৰি মানৱ উন্নয়ন সূচকাংকৰ উন্নতিৰ বাবে 2018 চনৰ জানুৱাৰী মাহত ভাৰত চৰকাৰৰ নীতি (NITI) আয়োগে চিহ্নিত কৰা (বৰ্তমান 117 খন) জিলাসমূহ৷

- 1-179 = 1 ৰ পৰা 179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 1-29 = 1 ৰ পৰা 29 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30-59 = 30 ৰ পৰা 59 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 60-89 = 60 ৰ পৰা 89 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90-179 = 90 ৰ পৰা 179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 30+ পৰিশোধ বিলম্ব = 30-179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.
- 90+ পৰিশোধ বিলম্ব = 90-179 দিনলৈ ডি.পি.ডি/ সক্ৰিয় পি.অ'.এছ.

- জে.এফ.এম.'22 = 2022 চনৰ জানুৱাৰীৰ পৰা 2022 চনৰ মাৰ্চলৈ
- এ.এম.জে.'22 = 2022 চনৰ এপ্ৰিলৰ পৰা 2022 চনৰ জুনলৈ
- জে.এ.এছ.'22 = 2022 চনৰ জুলাইৰ পৰা 2022 চনৰ ছেপ্টেম্বৰলৈ
- অ'.এন.ডি.'22 = 2022 চনৰ অক্টোবৰৰ পৰা 2022 চনৰ ডিচেম্বৰলৈ
- জে.এফ.এম.'23 = 2023 চনৰ জানুৱাৰীৰ পৰা 2023 চনৰ মাৰ্চলৈ

EQUIFAX



# ক্ষুদ্র বিত্তীয়


## উদ্যোগ অৰলোকন

# ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ সংক্ষিপ্ত ছবি–


## 2023 চনৰ 31 মাৰ্চ সাপেক্ষে

| 2023 চনৰ 31 মাৰ্চ সাপেক্ষে সংক্ষিপ্ত ছবি | বেংক | এছ.এফ.বি. | এন.বি.এফ.চি.-এম.এফ.আই. | এন.বি.এফ.চি. | অলাভকাৰী এমএফআই | মুঠ উদ্যোগ |
|---|---|---|---|---|---|---|
| সক্ৰিয় জীৱিত ঋণগ্ৰাহী ('000) | 27,455 | 13,485 | 25,531 | 8,320 | 1,160 | 75,951 |
| সক্ৰিয় ঋণ ('000) | 40,488 | 17,024 | 46,033 | 9,370 | 1,421 | 114,336 |
| পৰ্টফলিঅ' (`কোটি টকাত) | 104,984 | 52,386 | 129,414 | 28,850 | 3,446 | 319,080 |
| প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) – জে.এফ.এম.'23 | 37,316 | 16,219 | 41,779 | 6,810 | 878 | 103,002 |
| গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ, টকাত)– জে.এফ.এম.'23 | 41,960 | 49,177 | 43,193 | 46,009 | 32,346 | 43,616 |
| 30+ পৰিশোধ বিলম্ব(পি.অ'.এছ.) | 3.03% | 2.46% | 1.60% | 0.98% | 1.56% | 2.15% |
| 90+ পৰিশোধ বিলম্ব(পি.অ'.এছ.) | 1.47% | 0.92% | 0.92% | 0.44% | 1.02% | 1.06% |


**সক্ৰিয় জীৱিত ঋণগ্ৰাহী ('000)**





**সক্ৰিয় ঋণ ('000)**




**পৰ্টফলিঅ' (`কোটি টকাত)**




**প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) – জে.এফ.এম.'23**




বেংক  SFBs  NBFC-MFIs  NBFCs  অলাভকাৰী এম.এফ.আই.

- 2023 চনৰ 31 মাৰ্চলৈ এম.এফ.আই. উদ্যোগৰ বুক ছাইজ হৈছে `319,080 কোটি টকা৷
- এন.বি.এফ.চি-এম.এফ.আই.সমূহৰ বকেয়া পৰ্টফলিঅ' আৰু প্ৰদান কৰা ধনৰাশিৰ ক্ষেত্ৰত সৰ্বাধিক 41% বজাৰ অংশীদাৰিত্ব আছে৷
- এছ.এফ.বি. আৰু এন.বি.এফ.চি.সমূহৰ গড় টিকেট আকাৰ (এভাৰেজ টিকেট ছাইজ) উদ্যোগৰ টিকেট আকাৰতকৈ অধিক৷
- বেংক আৰু এছ.এফ.বি.সমূহৰ বাহিৰে আটাইবোৰ ঋণদাতাৰ 30+ পৰিশোধ বিলম্ব উদ্যোগৰ 30+ পৰিশোধ বিলম্বতকৈ কম৷
- বেংকৰ বাহিৰে আটাইবোৰ ঋণদাতাৰ 90+ পৰিশোধ বিলম্ব উদ্যোগৰ 90+ পৰিশোধ বিলম্বতকৈ কম৷

**টোকা** : এম.এফ.আই. খণ্ডত 6 কোটি অনন্য জীৱিত ঋণগ্ৰাহী আছে৷ গ্ৰাহকৰ অনন্য সংখ্যাৰ পাৰ্থক্যৰ কাৰণ হৈছে গ্ৰাহকসকলৰ এছ.এফ.বি., বেংক, এন.বি.এফ.চি.-এম.এফ.আই., এন.বি.এফ.চি. আৰু অলাভকাৰী (নট ফৰ প্ৰফিট) এম.এফ.আই.ৰ সৈতে থকা একাধিক সম্পৰ্ক৷


# ক্ষুদ্ৰ বিত্তীয় উদ্যোগ

## অৱলোকন

বকেয়া পৰ্টফলিঅ'(`কোটি টকাত)

| শিতানসমূহ | মাৰ্চ' 22 | জুন' 22 | ছেপ্টেম্বৰ' 22 | ডিচেম্বৰ' 22 | মাৰ্চ' 23 | বাৰ্ষিক( Y-o-Y) বৃদ্ধিৰ% |
|---|---|---|---|---|---|---|
| বেংক | 102,032 | 98,445 | 98,001 | 95,923 | 104,984 | 3% |
| এছ.এফ.বি. | 44,134 | 44,810 | 45,046 | 46,878 | 52,386 | 19% |
| এন.বি.এফ.চি.-এম.এফ.আই. | 94,481 | 95,671 | 102,129 | 114,776 | 129,414 | 37% |
| এন.বি.এফ.চি. | 19,155 | 25,232 | 23,175 | 26,506 | 28,850 | 51% |
| অলাভকাৰী এণ.এফ.আই. | 2,800 | 2,383 | 2,999 | 3,154 | 3,446 | 23% |
| মুঠ উদ্যোগ | 262,602 | 266,541 | 271,350 | 287,237 | 319,080 | 22% |
| ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধিৰ হাৰৰ % | | 1% | 2% | 6% | 11% | |

**ঋণদাতাৰ প্ৰকাৰ অনুসৰি বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা**




- 2022 চনৰ মাৰ্চৰ পৰা 2023 চনৰ মাৰ্চলৈকে ক্ষুদ্ৰ বিত্তীয় উদ্যোগ 22% বৃদ্ধি হৈছে আৰু 2022 চনৰ ডিচেম্বৰৰ পৰা 2023 চনৰ মাৰ্চলৈকে 11% ৰ ত্ৰৈমাসিক (Q-o-Q) বৃদ্ধি দেখা পোৱা গৈছে৷
- 2022 চনৰ মাৰ্চৰ পৰা 2023 চনৰ মাৰ্চলৈকে এন.বি.এফ.চি.সমূহত 51% সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি দেখা পোৱা গৈছে৷

EQUIFAX®




# বিতৰণৰ প্ৰণতা

# বিতৰণৰ প্ৰৱণতা –

## প্ৰতিষ্ঠান অনুসৰি

প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)

| ঋণদাতাৰ প্ৰকাৰ | জে.এফ.এম.' 22 | এ.এম.জে.' 22 | জে.এ.এছ.' 22 | অ'.এন.ডি.' 22 | জে.এফ.এম.' 23 |
|---|---|---|---|---|---|
| বেংক | 96 | 56 | 77 | 76 | 89 |
| এছ.এফ.বি. | 30 | 22 | 23 | 26 | 33 |
| এন.বি.এফ.চি.-এম.এফ.আই. | 78 | 56 | 72 | 77 | 97 |
| এন.বি.এফ.চি. | 15 | 13 | 16 | 16 | 15 |
| অলাভকাৰী এম.এফ.আই. | 4 | 1 | 3 | 3 | 3 |
| মুঠ উদ্যোগ | 223 | 148 | 191 | 198 | 237 |




- ধনৰাশিৰ ভিত্তিত ঋণ প্ৰদান জে.এফ.এম.'22 ৰ পৰা জে.এফ.এম.'23 লৈ 16% বৃদ্ধি হৈছে।
- জে.এফ.এম.'22 ৰ তুলনাত জে.এফ.এম.'23 ত এন.বি.এফ.চি.-এম.এফ.আই.সমূহৰ ক্ষেত্ৰত ধনৰাশিৰ ভিত্তিত ঋণ প্ৰদানত সৰ্বাধিক 37% আৰু ঋণৰ সংখ্যাৰ ভিত্তিত ঋণ প্ৰদানত 24% বৃদ্ধি দেখা পোৱা গৈছে।

**অস্বীকৰণ :** সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে।

## উদ্যোগৰ টিকেট আকাৰৰ প্ৰৱণতা

**প্ৰদান কৰা ঋণৰ সংখ্যা (লাখত)**

| টিকেটৰ আকাৰ | জে.এফ.এম.' 22 | এ.এম.জে.' 22 | জে.এ.এছ' 22 | অ'.এন.ডি.' 22 | জে.এফ.এম.' 23 | বাৰ্ষিক (Y-o-Y) বৃদ্ধিৰ হাৰৰ % |
|---|---|---|---|---|---|---|
| 0K-10K | 11 | 6 | 10 | 10 | 9 | -18% |
| 10K-20K | 16 | 9 | 12 | 12 | 11 | -31% |
| 20K-30K | 30 | 18 | 20 | 17 | 20 | -33% |
| 30K-40K | 64 | 43 | 54 | 51 | 50 | -22% |
| 40K-50K | 39 | 28 | 40 | 46 | 65 | 67% |
| 50K-60K | 30 | 22 | 25 | 28 | 37 | 23% |
| 60K তকৈ অধিক | 33 | 22 | 30 | 34 | 45 | 36% |
| মুঠ | 223 | 148 | 191 | 198 | 237 | 6% |
| ত্ৰৈমাসিক (Q-o-Q)ঋণ প্ৰদানৰ বৃদ্ধিৰ হাৰৰ % | - | -34% | 29% | 4% | 20% | - |
| সৰ্বভাৰতীয় এ.টি.এছ. (টকাত) | 39,955 | 39,591 | 39,930 | 41,396 | 43,616 | - |
| ত্ৰৈমাসিক (Q-o-Q)এ.টি.এছ.বৃদ্ধিৰ হাৰৰ % | - | -1% | 1% | 4% | 5% | - |




- জে.এফ.এম.'23 ত সৰ্বাধিক সংখ্যক ঋণ 40k-50k টিকেট আকাৰৰ শ্ৰেণীৰ অধীনত প্ৰদান কৰা হৈছিল।
- জে.এফ.এম.'22 ৰ তুলনাত জে.এফ.এম. '23 ত এ.টি.এছ. 9% বৃদ্ধি হৈছিল।

**অস্বীকৰণ :** সদস্যসকলৰ পৰা পোৱা আপডেটৰ ভিত্তিত পূৰ্বৰ সকলো ত্ৰৈমাসিকৰ উৎসৰ তথ্য আপডেট কৰা হৈছে।

EQUIFAX®





# উদ্যোগ বিপদাশংকা

## ৰূপৰেখা (প্ৰ'ফাইল)

# পৰিশোধ বিলম্বৰ প্ৰৱণতা

### পৰিশোধৰ তাৰিখ উকলি যোৱা সাপেক্ষে বিলম্ব

| প্ৰতিবেদিত ত্ৰৈমাসিক | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-29 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 30-59 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 60-89 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 90-179 দিনলৈ | পৰিশোধৰ তাৰিখ উকলি যোৱাৰ 1-179 দিনলৈ |
|---|---|---|---|---|---|
| মাৰ্চ' 22 | 2.93% | 1.71% | 1.12% | 2.43% | 8.19% |
| জুন' 22 | 2.69% | 1.44% | 1.71% | 1.85% | 7.69% |
| ছেপ্টেম্বৰ' 22 | 2.36% | 1.11% | 1.55% | 2.27% | 7.29% |
| ডিচেম্বৰ' 22 | 1.76% | 0.83% | 0.84% | 1.76% | 5.19% |
| মাৰ্চ' 23 | 1.23% | 0.49% | 0.60% | 1.06% | 3.38% |




- 2022 চনৰ ডিচেম্বৰৰ পৰা 2023 চনৰ মাৰ্চলৈ সকলো স্তৰৰ পৰিশোধ বিলম্ব হ্ৰাস পাইছে।
- 2022 চনৰ মাৰ্চৰ তুলনাত 2023 চনৰ মাৰ্চত উদ্যোগ 90+ পৰিশোধ বিলম্ব 137 বি.পি.এছ. হ্ৰাস পাইছে।

EQUIFAX



# অভিলাষী

## জিলাসমূহ

# অভিলাষী জিলাসমূহ –


## 2023 চনৰ মাৰ্চৰ অৱলোকন

| অভিলাষী জিলাৰ বৃদ্ধিৰ সবিশেষ | 31 মাৰ্চ, 2022 | 31 মাৰ্চ, 2023 | বৃদ্ধিৰ % |
|---|---|---|---|
| সক্ৰিয় ঋণগ্ৰাহীৰ প্ৰৱেশ ('000) | 9,446 | 11,153 | 18% |
| প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) | 34,222* | 44,954** | 31% |
| সক্ৰিয় ঋণ ('000) | 14,494 | 16,160 | 11% |
| বকেয়া পৰ্টফলিঅ' (`কোটি টকাত) | 36,417 | 43,602 | 20% |
| 30+ পৰিশোধ বিলম্ব | 4.05% | 1.82% | - |
| 90+ পৰিশোধ বিলম্ব | 1.94% | 0.93% | - |


- 2023 চনৰ 31 মাৰ্চ সাপেক্ষে অভিলাষী জিলাসমূহৰ বকেয়া পৰ্টফলিঅ' হৈছে `43,602 কোটি টকা।
- ক্ষুদ্ৰ বিত্তীয় উদ্যোগৰ মুঠ বকেয়া পৰ্টফলিঅ'ৰ ক্ষেত্ৰলৈ 14% অৰিহণা আগবঢ়ায়।
- এন.বি.এফ.চি.সমূহৰ 30+ পৰিশোধ বিলম্ব আৰু 90+ পৰিশোধ বিলম্ব সৰ্বনিম্ন।

পৰ্টফলিঅ' (`কোটি টকাত)

প্ৰদান কৰা ধনৰাশি (`কোটি টকাত) – এপ্ৰিল'22 ৰ পৰা মাৰ্চ'23 লৈ




ঋণদাতাৰ শ্ৰেণীৰ ভিত্তিত 30+ আৰু 90+ পি.অ'.এছ. পৰিশোধ বিলম্ব






**অস্বীকৰণ :** * 2021 চনৰ এপ্ৰিলৰ পৰা 2022 চনৰ মাৰ্চলৈ প্ৰদান কৰা ঋণ। **2022 চনৰ এপ্ৰিলৰ পৰা 2023 চনৰ মাৰ্চলৈ প্ৰদান কৰা ঋণ * পৰিশোধ বিলম্বসমূহ পি.অ'.এছ.ৰ ভিত্তিত গণনা কৰা হৈছে।


EQUIFAX




# মাশুলিক


## প্রবণতা

# মাণ্ডলিক বিতৰণ প্ৰৱণতা




- পূব মণ্ডলে ঋণ প্ৰদানৰ ক্ষেত্ৰত সৰ্বাধিক অৰিহণা আগবঢ়ায়।
- জে.এফ.এম.'22 ৰ তুলনাত জে.এফ.এম.'23 ত দক্ষিণ মণ্ডলত সৰ্বাধিক বাৰ্ষিক (Y-o-Y) বৃদ্ধি দেখা পোৱা গৈছে।

# মাণ্ডলিক গড় টিকেট আকাৰ প্ৰৱণতা





- জে.এফ.এম.'22 ৰ তুলনাত জে.এফ.এম.'23 ত আটাইকেইটা মণ্ডলতে এ.টি.এছ. বৃদ্ধি হৈছে।
- জে.এফ.এম.'22 ৰ তুলনাত জে.এফ.এম.'23 ত দক্ষিণ মণ্ডলত এ.টি.এছ.ৰ সৰ্বাধিক বৃদ্ধি দেখা পোৱা গৈছে।

# ঋণদাতাৰ ভিত্তিত


## মাণ্ডলিক বিতৰণ প্ৰৱণতা

### ঋণদাতাৰ ভিত্তিত বিতৰণৰ বজাৰ অংশীদাৰিত্বৰ প্ৰৱণতা


**উত্তৰ মণ্ডল**





**পূব মণ্ডল**




**পশ্চিম মণ্ডল**




**দক্ষিণ মণ্ডল**




জে.এফ.এম.’22 জে.এফ.এম.’23

- এন.বি.এফ.চি.-এম.এফ.আই.ৰ বজাৰ অংশীদাৰিত্ব আটাইকেইটা মণ্ডলতে বৃদ্ধি হৈছে।
- কেৱল দক্ষিণ মণ্ডলতহে এছ.এফ.বি.সমূহৰ বজাৰ অংশীদাৰিত্বৰ ক্ষেত্ৰত বৃদ্ধি দেখা গৈছে।

# ছিডবি (SIDBI)ৰ বিষয়ে

1990 চনত সংসদ আইনৰ অধীনত ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক স্থাপন কৰা হৈছিল৷ ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ (এম.এছ.এম.ই. খণ্ড)ৰ প্ৰচাৰ, বিত্তীয় সাহায্য আৰু উন্নয়নৰ ত্ৰিগুণ কাৰ্যসূচী ৰূপায়ণ তথা একেধৰণৰ কামত নিয়োজিত বিভিন্ন প্ৰতিষ্ঠানৰ কাম-কাজৰ সমন্বয়ৰ বাবে ছিডবিক প্ৰধান বিত্তীয় প্ৰতিষ্ঠান হিচাপে কাম কৰাৰ দায়িত্ব দিয়া হৈছে৷ বিগত বছৰবোৰত ইয়াৰ বিভিন্ন বিত্তীয় আৰু উন্নয়নমূলক ব্যৱস্থাৰ জৰিয়তে, বেংকটোৱে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ জীৱন স্পৰ্শ কৰিছে, সমগ্ৰ এম.এছ.এম.ই.ৰ অধীনৰ উদ্যোগসমূহক প্ৰভাৱিত কৰিছে আৰু এম.এছ.এম.ই. পৰিৱেশ তন্ত্ৰত বহু বিশ্বাসযোগ্য প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈছে৷

ভিজন 2.0ৰ অধীনত ছিডবিয়ে এম.এছ.এম.ই. খণ্ডত তথ্য বৈষম্যক চম্ভালিবলৈ বিভিন্ন পদক্ষেপৰ নেতৃত্ব দিছে, যেনে- এম.এছ.এম.ই. পালছ, এম.এছ.এম.ই.ৰ স্বাস্থ্য নিৰীক্ষণ (হেল্থ ট্ৰেকাৰ) আৰু এম.এছ.ই.ৰ আৱেগ আৰু আকাংক্ষাসমূহ জুখিবৰ বাবে ক্ৰাইছিডএক্স (CriSidEx), মাইক্ৰ'ফাইনেন্স পালছৰ বাহিৰেও ফিনটেক ঋণ খণ্ডৰ ওপৰত ক্ৰেডিট ডাটা ইনচাইটৰ বাবে উদ্যোগৰ ঋণদাতা আৰু ফিনটেক পালছৰ ওপৰত এক বিস্তৃত প্ৰতিবেদন, ইণ্ডাষ্ট্ৰী স্পটলাইট, প্ৰস্তুত কৰিছে৷

## ক্ষুদ্ৰ বিত্তায়নৰ ক্ষেত্ৰত ছিডবি (SIDBI)

ক্ষুদ্ৰ বিত্তীয় গতিবিধিক সমৰ্থন কৰি সৰ্বাংগীন বিত্তীয় কাৰ্যসূচীক আগুৱাই নিয়াত ছিডবিয়ে অগ্ৰণী ভূমিকা পালন কৰিছে৷ 2022 চনৰ 31 মাৰ্চলৈকে ছিডবিৰ ক্ষুদ্ৰ বিত্তীয় পদক্ষেপৰ অধীনত প্ৰদান কৰা ক্ৰমবৰ্ধমান সাহায্যৰ পৰিমাণ মুঠ `23,460 কোটি টকা হয় যিয়ে প্ৰায় 4.83 কোটি দৰিদ্ৰ গ্ৰাহকক লাভৱান কৰে৷ এম.এফ.আই.সমূহৰ ডেট আৰু ইকুইটি সমৰ্থন এই প্ৰতিষ্ঠানসমূহলৈ সামৰ্থ্য বিকাশৰ সমৰ্থন আৰু অনুৰ্ৱতিতা মূল্যায়ন সঁজুলি আদিক সমৰ্থন কৰি কৰ্প'ৰেট পৰিচালনা সংস্কৃতিক গ্ৰহণ কৰাৰ দ্বাৰা ভালদৰে পৰিপূৰক৷ ক্ষুদ্ৰ বিত্তীয় উদ্যোগক দুৰ্বল আৰম্ভণিৰ পৰা পূৰ্ণাংগ উদ্যোগ খণ্ডলৈ চম্ভালাৰ উপৰিও, আমাৰ অংশীদাৰ এম.এফ.আই.ৰ 8 টা এছ.এফ.বি./ইউনিভাৰ্চেল বেংকলৈ পৰিৱৰ্তনৰ শিখৰত উপনীত হয়৷ মাইক্ৰ'লেণ্ডিঙৰ এটা অগ্ৰণী পদক্ষেপ হ'ল ছিডবিৰ পৰা পোনপটীয়াকৈ (অংশীদাৰী ব্যৱস্থাৰ জৰিয়তে) এনে এটা সুতৰ হাৰত সৰু ঋণ উপলব্ধ কৰা, যিটো বজাৰৰ সুতৰ হাৰৰ তুলনাত যথেষ্ট কম৷ প্ৰয়াস (Prayaas) শীৰ্ষক এই পদক্ষেপৰ অধীনত বেংকে অংশীদাৰিত্ব আৰ্হিৰ অধীনত বজাৰ হাৰতকৈ তুলনামূলকভাৱে কম সুতৰ হাৰত পিৰামিডৰ তলৰ স্তৰৰ ক্ষুদ্ৰ ঋণগ্ৰাহীসকলক `0.50 লাখ টকাৰ পৰা `5 লাখ টকাৰ সৰু টিকেট আকাৰৰ ঋণ প্ৰদান কৰি আহিছে৷

## ইকুইফেক্স(Equifax)ৰ বিষয়ে

ইকুইফেক্স (NYSE: EFX)ত আমি বিশ্বাস কৰোঁ যে, জ্ঞানে অগ্ৰগতিৰ সূচনা কৰে৷ এটা বিশ্বব্যাপী তথ্য, বিশ্লেষণকাৰী আৰু প্ৰযুক্তি কোম্পানী হিচাপে আমি বিত্তীয় প্ৰতিষ্ঠান, কোম্পানী, কৰ্মচাৰী, আৰু চৰকাৰী সংস্থাসমূহক অধিক আত্মবিশ্বাসেৰে জটিল সিদ্ধান্ত লোৱাত সহায় কৰি বিশ্ব অৰ্থনীতিত এক অপৰিহাৰ্য ভূমিকা পালন কৰোঁ৷ আমাৰ বিশিষ্ট তথ্য, বিশ্লেষণ আৰু ক্লাউড প্ৰযুক্তিৰ অনন্য মিশ্ৰণে মানুহক আগবঢ়াই নিবলৈ দৃঢ় সিদ্ধান্ত গ্ৰহণ কৰিবলৈ অন্তৰ্দৃষ্টিসমূহক পৰিচালিত কৰে৷ আটলাণ্টাৰ মুখ্য কাৰ্যালয় আৰু বিশ্বজুৰি 11,000 ৰো অধিক কৰ্মচাৰীৰ সহযোগিতাৰে ইকুইফেক্সে উত্তৰ আমেৰিকা, মধ্য আৰু দক্ষিণ আমেৰিকা, ইউৰোপ, আৰু এছীয়-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ 25 খন দেশত পৰিচালিত হয় বা বিনিয়োগ কৰে৷ অধিক তথ্যৰ বাবে, Equifax.com চাওক৷

### অস্বীকৰণ

মাইক্ৰ'ফাইনেন্স পালছ (ৰিপ'ৰ্ট) ইকুইফেক্স ক্ৰেডিট ইনফৰ্মেশ্যন ছাৰ্ভিচেছ প্ৰাইভেট লিমিটেড (ইকুইফেক্স)ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে৷ প্ৰতিবেদনখন ব্যৱহাৰ কৰি, ব্যৱহাৰকাৰীয়ে স্বীকাৰ কৰে আৰু গ্ৰহণ কৰে যে, এনে ব্যৱহাৰ এই অস্বীকৰণৰ অধীনত৷ এই প্ৰতিবেদন 2022 চনৰ ছেপ্টেম্বৰ মাহলৈকে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহ আৰু ইকুইফেক্সৰ সদস্যসকলে যথেষ্ট পৰিমাণে প্ৰদান কৰা তথ্যৰ সংকলনৰ ওপৰত ভিত্তি কৰি তৈয়াৰ কৰা হৈছে৷ ইকুইফেক্সে প্ৰতিবেদন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ন্যায্য সাৱধানতা অৱলম্বন কৰিলেও, ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানসমূহে দাখিল কৰা ভুল বা অপৰ্যাপ্ত তথ্যৰ ফলত হোৱা সঠিকতা, ভুল আৰু/বা বাদ পৰাৰ বাবে ই দায়ী নহ'ব৷ ইয়াৰ উপৰিও, ইকুইফেক্সে প্ৰতিবেদনত থকা তথ্যৰ পৰ্যাপ্ততা বা সম্পূৰ্ণতাৰ নিশ্চয়তা নিদিয়ে আৰু/বা কোনো নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে ইয়াৰ উপযুক্ততাৰ নিশ্চয়তা নিদিয়ে বা প্ৰতিবেদনৰ ওপৰত কোনো ধৰণৰ প্ৰৱেশ বা নিৰ্ভৰশীলতাৰ বাবে ইকুইফেক্স দায়বদ্ধ নহয় আৰু ইকুইফেক্সে এনে সকলো দায়বদ্ধতা স্পষ্টভাৱে অস্বীকাৰ কৰে৷ এই প্ৰতিবেদনখন কোনো প্ৰয়োগ বা পণ্য অস্বীকাৰ কৰা বা গ্ৰহণ কৰাৰ চুপাৰিছ নহয় নাইবা ই (i) ঋণ দিয়া বা নিদিয়া আৰু (ii) সংশ্লিষ্ট ব্যক্তিৰ সৈতে কোনো বিত্তীয় লেনদেন কৰা বা নকৰাৰ সন্দৰ্ভত ইকুইফেক্সৰ কোনো পৰামৰ্শ নহয়৷ প্ৰতিবেদনত থকা তথ্যসমূহ পৰামৰ্শ নহয় আৰু এই প্ৰতিবেদনত থকা তথ্যৰ ভিত্তিত কোনো সিদ্ধান্ত লোৱাৰ আগতে ব্যৱহাৰকাৰীয়ে নিজৰ মতামতত বিবেচনাপূৰ্ণ সকলো প্ৰয়োজনীয় বিশ্লেষণ কৰিব লাগে৷ প্ৰতিবেদনৰ ব্যৱহাৰ ক্ৰেডিট তথ্য কোম্পানী (নিয়ন্ত্ৰণ) আইন 2005, ক্ৰেডিট তথ্য কোম্পানী বিধি 2006, ক্ৰেডিট তথ্য কোম্পানী নিয়ম, 2006 ৰ বিধানৰ দ্বাৰা পৰিচালিত হয়৷ প্ৰতিবেদনৰ কোনো অংশ পূৰ্বৰ অনুমোদন অবিহনে কপি, প্ৰচাৰ, প্ৰকাশ কৰা উচিত নহয়৷

## যোগাযোগৰ সবিশেষ

ইকুইফেক্স ক্ৰেডিট ইনফৰমেশ্যন ছাৰ্ভিচেজ প্ৰাইভেট লিমিটেড

ইউনিট নম্বৰ- 931, 3য় মহলা, বিল্ডিং নম্বৰ- 9,
ছলিটেইৰ কৰ্প'ৰেট পাৰ্ক, আন্ধেৰী ঘাটকোপৰ লিংক ৰোড,
আন্ধেৰী (পূব), মুম্বাই - 400 093

টোল ফ্ৰী নম্বৰ: 1800 2093247
ecissupport@equifax.com

ভাৰতীয় ক্ষুদ্ৰ উদ্যোগ উন্নয়ন বেংক

স্বাৱলম্বন ভৱন, প্লট নম্বৰ- C-11, 'G' ব্লক, বান্দ্ৰা কুৰ্লা
কমপ্লেক্স, বান্দ্ৰা (পূব), মুম্বাই - 400 051, মহাৰাষ্ট্ৰ

টোল ফ্ৰী নম্বৰ: 1800 226753
www.sidbi.in/en

স্বত্বাধিকাৰ © 2023, ইকুইফেক্স ইনকৰ্প'ৰেটেড, আটলাণ্টা, জৰ্জিয়া। সকলো অধিকাৰ সংৰক্ষিত। ইকুইফেক্স হৈছে ইকুইফেক্স ইনকৰ্প'ৰেটেডৰ এটা পঞ্জীয়নভুক্ত ট্ৰেডমাৰ্ক।